**Lang. Code : 03**

इस पुस्तिका में **20** पृष्ठ हैं ।
This booklet contains **20** pages.

# TAJ 19-I

**प्रश्न-पत्र I / PAPER I**
**असमी भाषा परिशिष्ट**
**Assamese Language Supplement**
**भाग IV & V / PART IV & V**

**परीक्षा पुस्तिका संकेत**
**Test Booklet Code**

**P**

**परीक्षा पुस्तिका संख्या**
**Test Booklet No.**

**इस परीक्षा पुस्तिका को तब तक न खोलें जब तक कहा न जाए ।**
**Do not open this Test Booklet until you are asked to do so.**
**इस परीक्षा पुस्तिका के पिछले आवरण (पृष्ठ 19 व 20)पर दिए निर्देशों को ध्यान से पढ़ें ।**
**Read carefully the Instructions on the Back Cover (Page 19 & 20) of this Test Booklet.**

**असमी में निर्देशों के लिए इस पुस्तिका का पृष्ठ 2 देखें । / For instructions in Assamese see Page 2 of this Booklet.**

## परीक्षार्थियों के लिए निर्देश

1. यह पुस्तिका मुख्य परीक्षा पुस्तिका की एक परिशिष्ट है, उन परीक्षार्थियों के लिए जो या तो भाग IV (भाषा I) **या** भाग V (भाषा II) **असमी** भाषा में देना चाहते हैं, लेकिन **दोनों नहीं** ।
2. परीक्षार्थी भाग I, II, III के उत्तर मुख्य परीक्षा पुस्तिका से दें और भाग IV व V के उत्तर उनके द्वारा चुनी भाषाओं से ।
3. अंग्रेज़ी व हिन्दी भाषा पर प्रश्न मुख्य परीक्षा पुस्तिका में भाग IV व भाग V के अन्तर्गत दिए गए हैं । भाषा परिशिष्टों को आप अलग से माँग सकते हैं ।
4. इस पृष्ठ पर विवरण अंकित करने एवं उत्तर पत्र पर निशान लगाने के लिए **केवल काले/नीले बॉल पॉइंट पेन** का प्रयोग करें ।
5. इस भाषा पुस्तिका का **संकेत** है **P** । यह सुनिश्चित कर लें कि इस भाषा परिशिष्ट पुस्तिका का संकेत, उत्तर पत्र के **पृष्ठ-2** एवं मुख्य परीक्षा पुस्तिका पर छपे संकेत से मिलता है । अगर यह भिन्न हो तो परीक्षार्थी दूसरी भाषा परिशिष्ट परीक्षा पुस्तिका लेने के लिए निरीक्षक को तुरन्त अवगत कराएँ ।
6. इस परीक्षा पुस्तिका में **दो** भाग IV और V हैं, जिनमें **60** वस्तुनिष्ठ प्रश्न हैं, जो प्रत्येक 1 अंक का है :
   भाग-IV : भाषा I - (असमी) (प्र. 91 से प्र. 120)
   भाग-V : भाषा II - (असमी) (प्र. 121 से प्र. 150)
7. भाग-IV में भाषा-I के लिए 30 प्रश्न और भाग-V में भाषा-II के लिए 30 प्रश्न दिए गए हैं । इस परीक्षा पुस्तिका में केवल असमी भाषा से संबंधित प्रश्न दिए गए हैं । **यदि भाषा-I और/या भाषा-II में आपके द्वारा चुनी गई भाषा(एँ) असमी के अलावा है तो कृपया उस भाषा वाली परीक्षा पुस्तिका माँग लीजिए । जिन भाषाओं के प्रश्नों के उत्तर आप दे रहे हैं वह आवेदन पत्र में चुनी गई भाषाओं से अवश्य मेल खानी चाहिए ।**
8. **परीक्षार्थी भाग-V (भाषा-II) के लिए, भाषा सूची से ऐसी भाषा चुनें जो उनके द्वारा भाषा I (भाग-IV) में चुनी गई भाषा से भिन्न हो ।**
9. रफ कार्य परीक्षा पुस्तिका में इस प्रयोजन के लिए दी गई खाली जगह पर ही करें ।
10. सभी उत्तर केवल OMR उत्तर पत्र पर ही अंकित करें । अपने उत्तर ध्यानपूर्वक अंकित करें । उत्तर बदलने हेतु श्वेत रंजक का प्रयोग निषिद्ध है ।

## *INSTRUCTIONS FOR CANDIDATES*

1. This booklet is a supplement to the Main Test Booklet for those candidates who wish to answer **EITHER** Part IV (Language I) **OR** Part V (Language II) in **ASSAMESE** language, but **NOT BOTH**.
2. Candidates are required to answer Parts I, II, III from the Main Test Booklet and Parts IV and V from the languages chosen by them.
3. Questions on English and Hindi languages for Part IV and Part V have been given in the Main Test Booklet. Language Supplements can be asked for separately.
4. Use **Black/Blue Ball Point Pen only** for writing particulars on this page / marking responses in the Answer Sheet.
5. The CODE for this Language Booklet is **P**. Make sure that the CODE printed on **Side-2** of the Answer Sheet and on your Main Test Booklet is the same as that on this Language Supplement Booklet. In case of discrepancy, the candidate should immediately report the matter to the Invigilator for replacement of the Language Supplement Test Booklet.
6. This Test Booklet has **two** Parts, IV and V, consisting of **60** Objective Type Questions, each carrying 1 mark :
   Part-IV : Language I - (Assamese) (Q. 91 to Q. 120)
   Part-V : Language II - (Assamese) (Q. 121 to Q. 150)
7. Part-IV contains 30 questions for Language-I and Part-V contains 30 questions for Language-II. In this Test Booklet, only questions pertaining to Assamese language have been given. **In case the language/s you have opted for as Language-I and/or Language-II is a Language other than Assamese, please ask for a Test Booklet that contains questions on that language. The language being answered must tally with the languages opted for in your Application Form.**
8. **Candidates are required to attempt questions in Part -V (Language-II) in a language other than the one chosen as Language-I (in Part-IV) from the list of languages.**
9. Rough work should be done only in the space provided in the Test Booklet for the same.
10. The answers are to be recorded on the OMR Answer Sheet only. Mark your responses carefully. No whitener is allowed for changing answers.

परीक्षार्थी का नाम (बड़े अक्षरों में) : ____________________
Name of the Candidate (in Capitals) :
अनुक्रमांक : (अंकों में) ____________________
Roll Number : in figures
: (शब्दों में) ____________________
: in words
परीक्षा केन्द्र (बड़े अक्षरों में) : ____________________
Centre of Examination (in Capitals) :
परीक्षार्थी के हस्ताक्षर : ____________________ निरीक्षक के हस्ताक्षर : ____________________
Candidate's Signature : Invigilator's Signature :
Facsimile signature stamp of
Centre Superintendent ____________________

P

**Lang. Code : 03**

# TAJ 19-I

পৰীক্ষা বহীখনৰ কোড

**P**

এই পৰীক্ষা বহীত 20টা পৃষ্ঠা আছে

## কাকত I

## অসমীয়া ভাষা

## খণ্ড IV & V

**এই পৰীক্ষা বহীখন তোমাক খুলিবলৈ নোকোৱালৈকে নুখুলিবা ।**

**এই পৰীক্ষা বহীখনৰ ওপৰৰ পৃষ্ঠাত (পৃষ্ঠা 19 আৰু 20) থকা নিৰ্দেশনা মনোযোগেৰে পঢ়া ।**

***পৰীক্ষাৰ্থীৰ বাবে নিৰ্দেশনা*** :

1. এই বহীখন মুখ্য পৰীক্ষণৰ বহীখনৰ সহায়ক হিচাপে সেই সকল পৰীক্ষাৰ্থীক দিয়া হৈছে যিয়ে **অসমীয়া** ভাষাৰ খণ্ড IV (ভাষা I) বা খণ্ড V (ভাষা II) উত্তৰ কৰিব বিচাৰে । কিন্তু দুয়োটা খণ্ডৰ উত্তৰ কৰিব নোৱাৰিব ।
2. পৰীক্ষাৰ্থী সকলে মুখ্য পৰীক্ষা বহীৰ পৰা I, II, III খণ্ডৰ উত্তৰ কৰিব লাগিব আৰু তেওঁলোকে নিৰ্বাচন কৰা ভাষাৰ খণ্ড IV আৰু V কৰিব লাগিব ।
3. ইংৰাজী আৰু হিন্দী ভাষাৰ IV আৰু V খণ্ডৰ প্ৰশ্নসমূহ মুখ্য পৰীক্ষণ বহীৰ সৈতে দিয়া হৈছে । ভাষা সহায়ক সমূহ আঁচুতীয়াকৈ লৈ উত্তৰ দিব পাৰিব ।
4. এই পৃষ্ঠাত নিৰ্দিষ্ট বিষয়সমূহ কেৱল লিখিবলৈ আৰু উত্তৰসমূহ চিহ্নিত কৰিবলৈ **নীলা/কলা বল পেন** ব্যৱহাৰ কৰিবা ।
5. এইখন ভাষা বহীৰ কোড হ'ল **P**. এইটো নিশ্চিত কৰা যে উত্তৰ বহীৰ **দ্বিতীয় পিঠি**, মুখ্য পৰীক্ষণ বহী আৰু ভাষা সহায়কত একে ধৰণে এই কোডটো লিখা আছে । পৰীক্ষাৰ্থীয়ে ইয়াৰ কিবা খেলিমেলি দেখিলে নিৰীক্ষকক জনাব আৰু ভাষা সহায়ক পৰীক্ষণ বহী সলাই লব ।
6. এই পৰীক্ষণ বহীৰ দুটা খণ্ড - চতুৰ্থ আৰু পঞ্চম ইয়াত **60**টা চমুধৰণৰ প্ৰশ্ন আছে । প্ৰত্যেক প্ৰশ্নতে ১ নম্বৰকৈ দিয়া হৈছে :
   খণ্ড IV : ভাষা I — (অসমীয়া) *(প্ৰশ্ন 91 ৰ পৰা প্ৰশ্ন 120 লৈ)*
   খণ্ড V : ভাষা II — (অসমীয়া) *(প্ৰশ্ন 121 ৰ পৰা প্ৰশ্ন 150 লৈ)*
7. খণ্ড IV তো ভাষা I ৰ বাবে 30টা প্ৰশ্ন দিয়া হৈছে আৰু খণ্ড V ত ভাষা II ৰ বাবে 30টা প্ৰশ্ন দিয়া হৈছে । এই পৰীক্ষণ বহীত প্ৰশ্নসমূহ কেৱল অসমীয়া ভাষাৰ বাবেহে দিয়া হৈছে । **ভাষাৰ ক্ষেত্ৰত যদি ভাষা I অথবা ভাষা II অসমীয়াত বাহিৰে অন্য ভাষাত প্ৰশ্ন দিয়া হৈছে তেনেহলে সেই ভাষাটোৰ প্ৰশ্ন থকা পৰীক্ষণ বহী খুজি ল'বা । তোমাৰ প্ৰপত্ৰত উল্লেখ কৰা ভাষাটোতহে পৰীক্ষাৰ উত্তৰ লিখিব পাৰিবা ।**
8. **পৰীক্ষাৰ্থীয়ে খণ্ড V ৰ (ভাষা II) প্ৰশ্নবোৰৰ উত্তৰ খণ্ড IV (ভাষা I) ত নিৰ্বাচিত কৰা ভাষাৰ দৰে কৰিব লাগিব ।**
9. প্ৰশ্নোত্তৰৰ বাদে বাহিৰা কাৰ্য কেৱল পৰীক্ষা বহীত থকা নিৰ্ধাৰিত ঠাইতহে কৰিব পাৰিব ।
10. প্ৰশ্নৰ উত্তৰবোৰ কেৱল OMR উত্তৰ কাকততহে লিপিবদ্ধ কৰিব লাগিব । তোমাৰ উত্তৰবোৰ সযত্নে কৰা । উত্তৰ সলাবলৈ বগা অথবা অন্য ৰং ব্যৱহাৰ কৰিব নোৱাৰিবা ।

প্ৰাৰ্থীৰ নাম (স্পষ্টভাৱে) : ______________________

ৰোলনম্বৰ : সংখ্যাৰে : ______________________

: আখৰেৰে : ______________________

পৰীক্ষাকেন্দ্ৰ (স্পষ্টভাৱে) : ______________________

প্ৰাৰ্থীৰ চহী : ____________ নিৰীক্ষকৰ চহী : ____________

Facsimile signature stamp of
Centre Superintendent ______________________

পৰীক্ষাৰ্থীসকলে যদিহে অসমীয়া বিষয়টো **ভাষা - I (Language-I)** – হিচাপে লৈছে, তেনেহ'লে **Part-IV**-ৰ (প্ৰশ্ন নং **91**-ৰ পৰা **120** লৈ) উত্তৰ কৰিব।

Candidates should attempt the questions from **Part-IV (Q.No. 91-120)**, if they have opted **ASSAMESE** as **Language-I** only.

## Part – IV / ভাগ – IV
## Language – I / ভাষা – I
## Assamese / অসমীয়া

পৰীক্ষাৰ্থীসকলে যদিহে অসমীয়া বিষয়টো **ভাষা - I (Language-I)** – হিচাপে লৈছে, তেনেহ’লে **Part-IV**-ৰ (**প্ৰশ্ন নং 91**-ৰ পৰা **120** লৈ) উত্তৰ কৰিব ।

**নিৰ্দেশ :**

**তলত দিয়া দফাটো মনোযোগেৰে পঢ়ি প্ৰশ্ন নং 91 ৰ পৰা 99 লৈ আটাইতকৈ উপযুক্ত বিকল্পটো বাচি উলিয়াই উত্তৰ কৰাঁ ।**

অসমৰ ভালেসংখ্যক পুৰাতাত্ত্বিক স্থানত হাতীৰ মূৰ্তি দেখা যায় । উদাহৰণস্বৰূপে পোনতে আমি উত্তৰ লখিমপুৰৰ লালুকৰ পৰিদৰ্শন বঙলাৰ কম্পাউণ্ডৰ ভিতৰত পৰি থকা গুৰুত্বপূৰ্ণ শিলাস্তম্ভচটালৈ অঙুলিয়াব পাৰো । সেই শিলাস্তম্ভচটাত এটা হাতীৰ ওপৰত এটা সিংহ আৰু তাৰ ওপৰত এডাল লতা খোদিত কৰা আছে । এই শিলাস্তম্ভচটা প্ৰাচীন ঐতিহ্যমণ্ডিত লোণপানী গোসাঁনী দৌলৰ মন্দিৰৰ আছিল বুলি ডাং ৱেড চাহাবে তেখেতৰ ‘অসমৰ বিৱৰণ’ গ্ৰন্থত উল্লেখ কৰি গৈছে । নগাঁও জিলাৰ ডবকাৰপৰা প্ৰায় ২০-২৫ কিল’মিটাৰ নিলগত অৱস্থিত দকমকাৰ মহামায়া থানৰ চৌপাশে সিঁচৰতি হৈ থকা প্ৰাচীন মন্দিৰৰ অৱশেষৰ মাজৰে এচটা শিলত হাতীৰ মূৰ্তি খোদিত হৈ থকা দেখা গৈছে । তেজপুৰৰ বামুণী পাহাৰত (টিলা) সাতোটা মন্দিৰৰ প্ৰাচীন ভগ্নাৱশেষৰ মাজত পৰি থকা অসংখ্য শিলাস্তম্ভত হাতীৰ চিত্ৰ খোদিত হৈ আছে । সেইদৰে গহপুৰৰ ওচৰৰ কলাবাৰীত অৱস্থিত ধ্বান্দা ৰা ধেন্দাই দৌলৰ শিৱমূৰ্তিটোৰ লগত সংলগ্ন হৈ থকা এচটা শিলত যিটো ইন্দ্ৰৰ মূৰ্তি আছে, তাত ইন্দ্ৰৰ বাহন হিচাপে এটা হাতী (ঐৰাৱত) খোদিত হৈছে । ল’ৰা ৰজাৰ ৰাজত্ব কালত (১৬৭৯-৮১ খ্ৰিষ্টাব্দ) নিৰ্মিত এই ধেন্দাই দৌলৰ তলৰ খাপৰ খুঁটাত হাতীৰ ওপৰত সিংহ খোদিত কৰাও দেখা গৈছে । তদুপৰি হাজোৰ হয়গ্ৰীৱ মাধৱ মন্দিৰৰ গাত হিন্দুৰ প্ৰায়বিলাক দেৱ-দেৱীৰ মূৰ্তি খোদিত হোৱাৰ লগতে মন্দিৰৰ তলৰ ভাগত হাতীৰ প্ৰতিকৃতিও খোদিত হৈছে । হাতীৰ প্ৰতিকৃতিসমূহ এই মন্দিৰৰ উল্লেখযোগ্য বৈশিষ্ট্য । এই মন্দিৰ কোচৰজা ৰঘুদেৱে ১৫৪৩ খ্ৰিষ্টাব্দত পুনৰ নিৰ্মাণ কৰিছিল বুলি বুৰঞ্জীয়ে কয় । পাতিদৰং অৰ্থাৎ বৰ্তমানৰ কৰবাৰ পিংগলেশ্বৰ মন্দিৰৰ ভাস্কৰ্যতো হাতীৰ মূৰ্তি দেখিবলৈ পোৱা যায় । কামাখ্যা মন্দিৰৰ সমুখত থকা বিশ্বকৰ্মাৰ শিলত কটা প্ৰাচীন মূৰ্তিটোত বিশ্বকৰ্মাৰ বাহন হিচাপে খোদিত হাতীটোৰ নিৰ্মাণশৈলী সঁচাকৈয়েৰ শলাগিবলগীয়া ।

হাতীক গণেশ দেৱতাৰ প্ৰতিভূ হিচাপে ভাৰতবৰ্ষৰ আৰু পৃথিৱীৰ হিন্দুসকলে মানি আহিছে । ভাৰতবৰ্ষৰ অন্যান্য ঠাইৰ দৰে অসমতো অতি প্ৰাচীন কালতেই অসংখ্য গণেশৰ মূৰ্তি বিভিন্ন পুৰাতাত্ত্বিক স্থানত নিৰ্মিত হৈছিল বুলি জনা গৈছে । আনুমানিক নৱম-দশম শতিকাত নিৰ্মিত প্ৰায় ৪ ফুট উচ্চতাৰ শিলত কটা এটা গণেশ মূৰ্তি তেজপুৰ নগৰৰ শোণিতপুৰ জিলা পুথিভঁৰালৰ দক্ষিণত ব্ৰহ্মপুত্ৰৰ পাৰত আছে । এই বৃহৎ শিলামূৰ্তিটোৰ নামানুসৰি ব্ৰহ্মপুত্ৰৰ এই ঐতিহ্যমণ্ডিত প্ৰাচীন ঘাটটোৰ নাম হৈছিল গণেশ ঘাট । তেজপুৰ নগৰৰপৰা প্ৰায় ১৪ কিল’মিটাৰ উত্তৰে অৱস্থিত, ১৭০৫ খ্ৰিষ্টাব্দত স্বৰ্গদেউ ৰুদ্ৰসিংহ নিৰ্মিত হলেশ্বৰ দেৱালয়তো শিলত কটা গণেশৰ মূৰ্তি এটা

আছে । হলেশ্বৰ দেৱালয়ৰ পশ্চিমে অৱস্থিত প্ৰাচীন ঐতিহ্যমণ্ডিত ৰজাদিনীয়া বৰপুখুৰীৰ মাজমজিয়াৰপৰা উদ্ধাৰ হোৱা নৃত্যৰত বৃহৎ আকাৰৰ গণেশৰ শিলামূৰ্তিটোও উল্লিখিত পুখুৰীটোৰ দক্ষিণপাৰত স্থায়ীভাৱে স্থাপন কৰি ৰখা হৈছে । ইয়াৰ লগত গুপ্তকাশী বিশ্বনাথৰ উমাটুমনিতো এচটা শিলত খোদিত গণেশৰ মূৰ্তি এটা আছে । শোণিতপুৰ জিলাৰ বৰচলা মৌজাৰ নিজ বৰচলা মন্দিৰৰ ওপৰত লগাই থোৱা ৬ ফুট ২ ইঞ্চি দীঘল, ১ ফুট ১০ ইঞ্চি বহল আৰু ১ ইঞ্চি ডাঠ শিলাস্তম্ভ চটাত ৬ ইঞ্চি ওখ আৰু ৪ ইঞ্চি বহল এটা গণেশৰ মূৰ্তি খোদিত হৈ আছে । সেইদৰে নিজ বৰচলা গাঁৱৰপৰা প্ৰায় ১০-১১ কিল'মিটাৰ নিলগত ব্ৰহ্মপুত্ৰৰ দাঁতিত অৱস্থিত শিঙৰিৰ গোপেশ্বৰ দেৱালয়ৰ দুৱাৰৰ ওপৰত লগাই থোৱা শিলাস্তম্ভচটাতো তেনে জোখৰ এটা গণেশৰ মূৰ্তি আছে । এই দুয়োটা গণেশ মূৰ্তিৰ নিৰ্মাণশৈলীৰপৰা এই কথা নিশ্চিতভাৱে ক'ব পাৰি যে শিঙৰিৰ গোপেশ্বৰ মন্দিৰৰ নিৰ্মাণৰ সময়তেই নিজ বৰচলাৰ মন্দিৰটোও নিৰ্মাণ কৰা হৈছিল । শুক্ৰেশ্বৰ পাহাৰত শুক্ৰেশ্বৰ মন্দিৰৰ উত্তৰে ব্ৰহ্মপুত্ৰৰ ফালে মুখ কৰি অন্যান্য দেৱ-দেৱীৰ লগতে গণেশৰ মূৰ্তি এটাও আছে । সেইদৰে গুৱাহাটীৰ কামাখ্যা পাহাৰতো কামাখ্যা মন্দিৰৰ আশেপাশে অন্যান্য বহু দেৱ-দেৱীৰ লগতে কেইবাটাও গণেশৰ মূৰ্তি খোদিত হৈ আছে । গুৱাহাটীৰ বেলতলা মৌজাৰ চাৰিও দুৱাৰত শিলত কটা গণেশৰ মূৰ্তি আছে; মূৰ্তিকেইটাৰ গুৰিয়ে গুৰিয়ে একোটা নিজৰা আছে । হয়গ্ৰীৱ মাধৱ মন্দিৰৰ সমীপতে পূবাপিনে থকা গণেশ্বৰ দেৱালয়ত শিলত কটা অতি প্ৰাচীন মূৰ্তি এটা আছে । দক্ষিণ কামৰূপৰ মিৰ্জাৰ অন্তৰ্গত সন্তোলা গাঁৱত অৱস্থিত বাঘেশ্বৰী দেৱালয়ৰ চৌহদত পৰি থকা শিলাস্তম্ভ কেইচটামানত গণেশৰ মূৰ্তি খোদিত হৈ থকা দেখা গৈছে ।

**91.** **ৰজাদিনীয়া বৰপুখুৰীৰ মাজমজিয়াৰ পৰা উদ্ধাৰ হোৱা বৃহদাকাৰ নৃতৰত গণেশ মূৰ্তিটো ক'ত স্থায়ীভাবে সংৰক্ষণ কৰি ৰখা হৈছে ?**

(1) গুৱাহাটিৰ সংগ্ৰহালয়ত

(2) শোণিতপুৰ জিলাৰ পুথিভঁৰালৰ দক্ষিণত

(3) ৰজাদিনীয়া বৰপুখুৰীৰ মাজমজিয়াতে

(4) ৰজাদিনীয়া বৰপুখুৰীৰ দক্ষিণ পাৰত

**92.** **ভাৰত আৰু সমগ্ৰ পৃথিৱীতে গণেশ দেৱতাৰ প্ৰতিভূ ৰূপে কি গণ্য কৰা হয় ?**

(1) মোদকৰ লাৰু (2) নিগনি

(3) হাতী (4) পদুম ফুল

**93.** **"অসমৰ ভালেসংখ্যক পুৰাতাত্বিক স্থানত <u>হাতীৰ</u> মূৰ্তি দেখা যায় । " — উদ্ধৃত বাক্যটোৰ ৰেখাংকিত শব্দটোত ব্যৱহাৰ হোৱা বিভক্তিটো চিহ্নিত কৰা ।**

(1) প্ৰথমা (2) দ্বিতীয়া

(3) তৃতীয়া (4) ষষ্ঠী

**94.** **দক্ষিণ কামৰূপৰ মিৰ্জাৰ অন্তৰ্গত গাঁওখন বাচি উলিওৱাঁ ।**

(1) সন্তোলা

(2) কৰৰা

(3) বৰচলা

(4) নিজ বৰচলা

**95.** **উদ্ধৃত ৰছনাখণ্ডত 'দেৱ-দেৱী' শব্দ দুটা একাধিকবাৰ ব্যৱহাৰ হৈছে । ইয়াৰে দ্বিতীয় শব্দটোত কিহৰ প্ৰয়োগ দেখা গৈছে ?**

(1) প্ৰত্যয়

(2) বিভক্তি

(3) উপসৰ্গ

(4) সমাৰ্থক শব্দ

**96. শিলৰ স্তম্ভ এচটাত 'এটা হাতীৰ ওপৰত এটা সিংহ আৰু তাৰ ওপৰত এডাল লতা' খোদিত থকা ভাস্কৰ্যটো ক'ত আছে ?**

(1) কামাখ্যা পাহাৰত

(2) শুক্রেশ্বৰ পাহাৰত

(3) নগাঁও জিলাৰ ডবকাত

(4) লখিমপুৰ জিলাৰ লালুকত

**97. দুঠাইত প্ৰাপ্ত দুটা গনেশ মূৰ্তিৰ নিৰ্মাণশৈলীৰ আধাৰত কোন দুটা মন্দিৰৰ নিৰ্মাণ একে সময়তে হৈছিল বুলি ঠাৰৰ কৰা হৈছে ?**

(1) লোণপানী গোঁসানী দৌলৰ মন্দিৰ আৰু হয়গ্ৰীৱ মাধৱ মন্দিৰ

(2) পিংগলেশ্বৰ মন্দিৰ আৰু কামাখ্যা মন্দিৰ

(3) কামাখ্যা মন্দিৰ আৰু শুক্রেশ্বৰ মন্দিৰ

(4) শিঙৰিৰ গোপেশ্বৰ মন্দিৰ আৰু নিজ বৰচলাৰ মন্দিৰ

**98. ১৭০৫ খ্ৰীষ্টাব্দত নিৰ্মিত হলেশ্বৰ দেৱালয় কাৰ ৰাজত্বকালত বা কাৰ নিৰ্দেশত নিৰ্মাণ কৰা হৈছিল ?**

(1) ল'ৰা ৰজাৰ

(2) কোচ ৰজা ৰঘুদেৱৰ

(3) স্বৰ্গদেউ ৰুদ্ৰসিংহৰ

(4) কোচ ৰজা নৰনাৰায়ণৰ

**99. বুৰঞ্জীত উল্লেখ আছে যে, ১৫৪৩ খ্ৰীষ্টাব্দত কোঁচ ৰজা ৰঘুদেৱে ______ ৰ পুনৰনিৰ্মাণ কৰিছিল।**

(1) মহামায়া থান

(2) হয়গ্ৰীৱ মাধৱ মন্দিৰ

(3) পিংগলেশ্বৰ মন্দিৰ

(4) ধ্বান্দা বা ধেন্দাই দৌল

**নিৰ্দেশ : তলত উদ্ধৃত কৰা পদ্যাংশৰ তলত দিয়া প্ৰশ্নসমূহৰ (প্ৰশ্ন নং 100 ৰ পৰা 105 লৈ) আটাইতকৈ উপযুক্ত ৰিকল্প উত্তৰটো নিৰ্বাচন কৰাঁ।**

সামৰণি, আজি মহোৎসৱ
জীৱনৰ সন্ধিয়া পৰত,
থামি গ'ল উৎসৱৰ গীতি
বিজয়াৰ সুদা মণ্ডপত।
উৎসৱ দীপালি আজি নাই জ্বালি থোৱা -
উলাহৰ বীণখনি নাই আজি কোনেও বজোৱা।
বেলিৰ জেউতি সৌ বুৰ গ'ল সাগৰ বুকুত,
এন্ধাৰ ঘনাই আছে বিষাদ ৰ কালিমা ৰূপত।
নিমিষতে আতৰিল -
পুঁৰতিৰ অলীক সপোন,
ডাৱৰে ধৰিলে ছাটি -
প্ৰভাতৰ সোণালী কিৰণ।
জীৱনত কোনো দিনে
নপৰিল তোমাক মনত;
আজি এই আবেলিৰ বিদায় পৰত,
গহীন এন্ধাৰে ঢকা
সীমাহীন সাগৰৰ পাৰত,
তোমালৈ পৰিছে মনত।
অ' মোৰ পৰম প্ৰিয় !
তুমি ক'ত তুমি ক'ত ক'ত ?
ভিখাৰী অধম আজি
হীন বেশ দীন অতি দীন,
গৌৰৱ দৰপ অহমিকা
শেষ আজি ধূলিত বিলীন।
শুকান হিয়াৰ খোলা
শুকান দুখনি ওঁঠ ভৰি,
হৃদয়ৰ সুদা পাত্ৰখনি
তোমাৰ অমৃতে দিয়া পূৰি।
জীৱনৰ প্ৰতি পাতে পাতে -
অঁকা তযু চৰণৰ ৰেখা,
তোমাক এবাৰো প্ৰভু !
জীৱনত পোৱা নাই দেখা।

**100.** ‘অমৃত’ শব্দৰ সমাৰ্থক শব্দটো বাচি উলিওৱাঁ।

(1) সুধা

(2) হলাহল

(3) বিষ

(4) মৃত্যুহীন

**101.** ‘বেলিৰ জেউতি’ ক’ত বুৰ যোৱা বুলি কবিয়ে কৈছে ?

(1) সীমাহীন সাগৰৰ পাৰত

(2) সাগৰৰ বুকুত

(3) বিষাদ কালিমাৰূপত নামি অহা এন্ধাৰত

(4) গহীন এন্ধাৰত

**102.** কবিৰ জীৱনৰ প্ৰতিটো পাতত কি অঁকা আছে ?

(1) গৌৰৱ, দৰ্প আৰু অহামিকা

(2) কবিৰ প্ৰভুৰ চৰণৰ ৰেখা

(3) হতাশা আৰু নিৰাশাৰ ছবি

(4) বেলি ডুবাৰ দৃশ্য

**103.** ‘পুঁৰতিৰ অলীক সপোন’-ৰ অৰ্থ হৈছে -

(1) কবিয়ে দেখা পুৱাৰ সপোন

(2) কবিৰ পৰম প্ৰভুৰ সপোন

(3) অৰ্থহীন, মিছা সপোন

(4) পূৰণ নোহোৱা আশা

**104.** ‘নিমিষ’ শব্দটোৰ অৰ্থ হৈছে -

(1) ক্ষন্তেকীয়া

(2) কম ৰা তেনেই তাকৰ

(3) চকু টিপিউৱা

(4) মূহুৰ্ত

**105.** কবিতাটোত ৰাতিপুৱাৰ সোনালী কিৰণক কিহে ঢাকি ধৰা বুলি উল্লেখ কৰা হৈছে ?

(1) পুৰতিৰ অলীক সপোনবোৰে

(2) বিষাদৰ কালিমাই

(3) ঘনঘোৰ এন্ধাৰে

(4) ডাৱৰে

**106.** প্ৰথম মানৰ ভাষাৰ পাঠ্যপুথি এখন বৰ্ণমালাৰে আৰম্ভ হৈ দুটা আখৰৰ শব্দ, তিনিটা আখৰৰ শব্দ আৰু তাৰ পাছত সাধু আৰু পদ্য আছে। এই পাঠ্যপুথিখনত তলত দিয়া কোনটো পদ্ধতি প্ৰয়োগ কৰা হৈছে ?

(1) নিম্নৰ পৰা উৰ্দ্ধ পদ্ধতি

(2) উৰ্দ্ধৰ পৰা নিম্ন পদ্ধতি

(3) নিয়মানুৱৰ্তী পদ্ধতি বা সংগঠনাত্মক পদ্ধতি

(4) পাঠ্যক্ৰম আধাৰিত পদ্ধতি

**107.** _____ হৈছে এক ধৰনৰ পঠন অসুবিধা।

(1) ডাইলেক্সিয়া

(2) ডিছ্‌গ্ৰাফিয়া

(3) ডিছকেলকুলিয়া

(4) ডিছফৰিয়া

**108.** ভাষাৰ শ্ৰেণী এটাত লিখন উদ্বুদ্ধ কৰিবলৈ কি কৰা উচিত ?

(1) ছাত্ৰ-ছাত্ৰীক বিষয়বস্তুৰ বিষয়ে মগজুৰ কছৰৎ কৰি ধাৰণাবোৰ উদ্বুদ্ধ কৰিবলৈ দিয়া

(2) ব্লেক ব’ৰ্ডত লিখি দিয়া দফা এটা চাই চাই নকল কৰিবলৈ বা লিখিবলৈ দিয়া

(3) বিদ্যালয়লৈ অহাৰ আগতে ছাত্ৰ-ছাত্ৰীবোৰক বেলেগ বেলেগ দফা পঢ়ি আহিবলৈ কোৱা

(4) ছাত্ৰ-ছাত্ৰীক ভাল হাতৰ আখৰেৰে লিখিবলৈ দিয়া

**109.** শিশু এটাই মাতৃভাষা মূলত : কেনেকৈ আহৰণ কৰে ?

(1) শুনি শুনি

(2) কৈ কৈ

(3) লিখি লিখি

(4) আনুষ্ঠানিক শিকন পৰিৱেশত

**110.** তলত দিয়া কোনটো ফলপ্ৰসূ দক্ষতাৰ ভিতৰত পৰে ?

(1) পঠন আৰু লিখন

(2) পঠন আৰু শ্ৰৱণ

(3) কথন আৰু লিখন

(4) কথন আৰু শ্ৰৱণ

**111.** তৃতীয় মানৰ শ্ৰেণীকোঠা এটাত কৰুণাই এটা কবিতা পঢ়ুউৱাৰ পাছত ছাত্ৰ-ছাত্ৰীক কিবা কাম দিব বিচাৰিছে । তলত দিয়া কোনটো কাম কৰিবলৈ দিলে ছাত্ৰ-ছাত্ৰীবোৰে সক্ৰিয়ভাবে অংশগ্ৰহণ কৰিব পাৰিব ?

(1) কবিতাটোৰ শেষত দিয়া প্ৰশ্নবোৰৰ উত্তৰ লিখিবলৈ দিয়া

(2) ছাত্ৰ-ছাত্ৰীবোৰক কিছুমান গোটত ভাগ কৰি দি সিহঁতক কবিতাটোৰ সম্পৰ্কে নিজা অৰ্থানুমান কৰিবলৈ দিয়া

(3) পাঠত থকা ধৰণেই গোটেই কবিতাটোৰ প্ৰতিটো শাৰী মুখস্থ কৰিবলৈ দিয়া

(4) কবিতাটোত থকা নতুন শব্দবোৰ ব্যাৰহাৰ কৰি বাক্য গঠন কৰিবলৈ দিয়া

**112.** ভাষা আহৰণ বিষয়ে তলৰ কোনটো বাক্য শুদ্ধ ?

(1) ভাষা আহৰণৰ কাৰণে শিশুৰ কোনো জন্মগত ক্ষমতা নাথাকে ।

(2) শিশু এটিয়ে বিদ্যালয়লৈ যোৱাৰ পাছত ভাষা শিকে ।

(3) প্ৰত্যেক শিশুৰে ভাষা আহৰণ কৰাৰ জন্মগত ক্ষমতা থাকে ।

(4) শিশুৰে বিভিন্ন সমলৰ মাধ্যমেৰে ভাষা শিকে ।

**113.** ভাষা শিকোঁতে তলৰ কোনটো আটাইতকৈ গুৰুত্বপূৰ্ণ ?

(1) TLM (Teaching Learning Material)-ৰ ব্যবহাৰ কৰা

(2) সামাজিক আদান-প্ৰদান কৰা

(3) কিতাপ পঢ়া

(4) নাটক বা চিনেমা চোৱা

**114.** পাঠ্যপুথিৰ অধ্যায়বোৰত চিত্ৰৰ প্ৰয়োগ কৰা হয় । কাৰণ,

(1) চিত্ৰৰ প্ৰয়োগ কৰাটো একধৰণৰ ধাৰা বা নিয়ম

(2) চিত্ৰৰ প্ৰয়োগে পাঠ্যপুথি একোখন আকৰ্ষনীয় কৰে

(3) বিমূৰ্ত ধাৰণা একোটা বুজি পোৱাত চিত্ৰই সহায় কৰে

(4) পাঠৰ অধ্যায় এটা লিখিবলৈ কঠিন, কিন্তু চিত্ৰ আঁকিবলৈ সহজ

**115.** ভালকৈ লিখিবলৈ শিকাবৰ কাৰণে শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ তলত কোনটোত আটাইতকৈ গুৰুত্ব দিয়া উচিত ?

(1) হাতৰ আখৰ

(2) ব্যাকৰণ

(3) প্ৰকাশ ভংগী

(4) শব্দ সীমা

**116.** ডিছলেক্সিয়া তলৰ কোনটোৰ লগত জৰিত ?

(1) মানসিক খেলি-মেলি বা বেমেজালি

(2) আচৰণাত্মক বেমেজালি

(3) গাণিতীক বেমেজালি

(4) পঠন বেমেজালি

**117.** পাঠ এটা পঢ়োঁতে তলত উল্লেখ কৰা কোনটো অতিশয় গুৰুত্বপূৰ্ণ ?

(1) শুদ্ধ উচ্চাৰণ কৰি পঢ়াটো

(2) যতি বা বিৰাম চিহ্নবোৰ শুদ্ধকৈ ব্যৱহাৰ কৰি পঢ়াটো

(3) পাঠটোৰ অৰ্থ বুজি পোৱাটো

(4) খৰতকীয়াকৈ পঢ়িব পৰাটো

**118.** দ্বিতীয় মানৰ ছাত্ৰ-ছাত্ৰীৰ শব্দসম্ভাৰ টনকিয়াল কৰিবৰ কাৰণে কি পদ্ধতি অৱলম্বন কৰা উচিত ?

(1) নতুন অধ্যায় এটা পঢ়াৰ আগতে অধ্যায়টোত থকা গোটেইবোৰ নতুন শব্দ মুখস্থ কৰি পেলাৰা

(2) প্ৰসংগ অনুসৰি ছাত্ৰ-ছাত্ৰীক নতুন শব্দৰ অৰ্থ অনুমান কৰিবলৈ দিয়া

(3) প্ৰতিটো নতুন বা কঠিন শব্দৰ কাৰণে অভিধান খুলি চোৱা

(4) পাঠটোত থকা গোটেইবোৰ নতুন বা কঠিন শব্দৰ তলত আঁচ টানি পাছত সেইবোৰৰ অৰ্থ মুখস্থ কৰা

**119.** দ্বিতীয় মানৰ শ্ৰেণীকোঠাত শিক্ষকে অংগী-ভংগীৰে সৈতে এটা আমোদজনক সাধু কৈছে। তাৰ পাছত শিক্ষকগৰাকীয়ে ছাত্ৰ-ছাত্ৰীক সাধুটো নিজৰ ভাষাত ক'বলৈ দিছে । এইক্ষেত্ৰত শিক্ষকগৰাকীয়ে ছাত্ৰ-ছাত্ৰীৰ তলৰ কোনটোৰ মূল্যায়ন কৰিছে ?

(1) শ্ৰৱণ বোধ (2) কথন বোধ

(3) পঠন বোধ (4) লিখন বোধ

**120.** শ্ৰেণীকোঠা এটাত ছপাসমৃদ্ধ বা **Print rich** পৰিৱেশ থকা বুলিলে কি বুজা যায় ?

(1) শ্ৰেণীকোঠাটোৰ দেৱালবোৰ ৰংচঙীয়া হয়।

(2) পঢ়ুউৰা পাঠৰ লগত সম্পৰ্কিত সামগ্ৰী বা সমলবোৰ দেৱালত আঠা লগোৱা থাকে।

(3) ডাঙৰ আকাৰেৰে বৰ্ণমালাৰ তালিকা শ্ৰেণীকোঠাৰ দেৱালত লগোৱা থাকে।

(4) দেৱালবোৰত ৰংচঙীয়া ছবিৰে সৈতে পদ্য লিখি থোৱা থাকে।

পৰীক্ষাৰ্থীসকলে যদিহে অসমীয়া বিষয়টো **ভাষা - II (Language-II)** – হিচাপে লৈছে, তেনেহ'লে **Part-V**-ৰ (**প্ৰশ্ন নং 121**-ৰ **পৰা 150** লৈ) উত্তৰ কৰিব।

Candidates should attempt the questions from **Part-V (Q.No. 121-150)**, if they have opted **ASSAMESE** as **Language-II** only.

**Part – V / ভাগ – V**

**Language – II / ভাষা – II**

**Assamese / অসমীয়া**

পৰীক্ষাৰ্থীসকলে যদিহে অসমীয়া বিষয়টো **ভাষা - II (Language-II)** – হিচাপে লৈছে, তেনেহ'লে **Part-V**-ৰ (**প্ৰশ্ন নং 121**-ৰ **পৰা 150** লৈ) উত্তৰ কৰিব।

**নিৰ্দেশ : তলত দিয়া ৰছনাখণ্ড মনোযোগেৰে তাৰ তলত দিয়া প্ৰশ্নসমূহৰ (প্ৰশ্ন নং 121-ৰ পৰা 128 লৈ) আটাইতকৈ উপযুক্ত উত্তৰটো নিৰ্বাচন কৰাঁ।**

লিথুৱেনিয়াৰ স্বৰ্ণযুগ চতুৰ্দশৰপৰা যোড়শ শতাব্দীলৈকে চলিছিল আৰু ভিলনিয়াছ নগৰত ৰাজধানী স্থাপন কৰি ইউৰোপৰ বৃহত্তম সাম্ৰাজ্যত পৰিণত হৈছিল । কিন্তু বিধিৰ কি বিধান ! অষ্টাদশ শতাব্দীত পোলেণ্ড লিথুৱেনিয়া যুক্তৰাজ্যক অষ্ট্ৰিয়া, ৰুছদেশ আৰু প্ৰাছিয়াই বিভক্ত কৰি নিজ নিজ দেশৰ লগত চামিল কৰি লৈ তাৰ নাগৰিকৰ আৰ্থিক আৰু সামাজিক পৰিস্থিতি শোচনীয় কৰি তুলিছিল । ঘোৰ জাতীয়তাবাদী লিথুৱেনিয়াৰ নাগৰিকে কিন্তু ১৯১৮ চনত স্বাধীনতা ঘোষণা কৰিছিল । দ্বিতীয় বিশ্বযুদ্ধত তিনিলাখ ইহুদীক হিটলাৰৰ সৈন্যই লিথুৱেনিয়াত নিৰ্মমভাৱে হত্যা কৰিছিল আৰু১৯৪৪ চনৰপৰা প্ৰথম আঠ বছৰ ৰুছদেশৰ অধীনত আঢ়ৈলাখ লিথুৱেনীয়ক হত্যা নাইবা ছাইবেৰিয়ালৈ নিৰ্বাসিত কৰা হৈছিল । ৰুছদেশৰ (পূৰ্ব ছোভিয়েট ইউনিয়ন বা USSR) শাসন ১৯৯০ চনলৈকে চলিছিল; কিন্তু সাধাৰণতে বিদ্ৰোহী ভাবাপন্ন লিথুৱেনিয়াৰ নাগৰিকে অসাম্যবাদী দলক স্বীকৃতি দি ছোভিয়েট ইউনিয়নৰ অন্তৰ্গত ৰাজ্যবোৰৰ ভিতৰত ১৯৯০ চনত প্ৰথমেই পৃথক হৈছিল । লিথুৱেনিয়াক অনুসৰণ কৰি পাছত আন কেইবাখনো ৰাজ্য ছোভিয়েট ইউনিয়নৰ কৱলৰপৰা মুক্ত হৈছিল । ইয়াৰ পৰিণামত ছোভিয়েট ইউনিয়নৰ সৈন্য বাহিনীয়ে ভিলনিয়াছ অধিকাৰ কৰি ধ্বংসকাৰ্য আৰম্ভ কৰিছিল যদিও প্ৰতিৰোধৰ প্ৰকোপ ইমান তীব্ৰ আছিল যে ১৯৯১ চনৰ শেষৰ ফালে লিথুৱেনিয়াক স্বাধীনতা প্ৰদান কৰিবলৈ বাধ্য হৈছিল । লিথুৱেনিয়া বৰ্তমান নৰ্থ আটলাণ্টিক ট্ৰিটি অৰগেনাইজেশ্যন (NATO) আৰু ইউৰোপীয় সংগঠনৰ (European Union) সদস্য । বৰ্তমান ইউৰ' দেশখনৰ মুদ্ৰা । ছোভিয়েট ইউনিয়নৰ অধীনত পৰিকল্পিত অৰ্থনীতিৰ সলনি এতিয়া লিথুৱেনিয়াত মুক্ত বজাৰ অৰ্থনীতি (free market economy) প্ৰচলিত । ইউৰোপীয় সংগঠনত যোগ দিয়াৰ এবছৰৰ আগেয়ে দেশখনৰ অৰ্থনৈতিক উন্নয়নৰ হাৰ প্ৰায় ন শতাংশ আছিল । ৰেল আৰু বিমান বন্দৰৰ আন্ত:গাঁথনিৰ আধুনিকীকৰণ হ'ল; চাৰিটা আলিৰ ৰাজপথো নিৰ্মাণ কৰা হ'ল । মুঠতে লিথুৱেনিয়া বৰ্তমান এখন উন্নত আৰু সমৃদ্ধিশালী ৰাষ্ট্ৰলৈ পৰিণত হ'ল । জীৱ আৰু তথ্য প্ৰয়োগবিদ্যাত চৰকাৰে অধিক গুৰুত্ব দিছে । লিথুৱেনিয়াবাসী পৰিবেশৰ প্ৰতি অতি সজাগ যেন মোৰ অনুভৱ হ'ল; সেউজীয়া অৰণ্য আৰু প্ৰায় চাৰি হাজাৰ হ্ৰদে সমতলভূমি দেশখনৰ নৈসৰ্গিক দৃশ্য অনুপম কৰিছে; এক-তৃতীয়াংশ ভূমি অৰণ্যৰে আবৃৰা; সেইবোৰত বনৰীয়া গাহৰি, কুকুৰনেচীয়া বাঘ, হৰিণ আৰু এ'লক নামে এবিধ ডাঙৰ পহু বাস কৰে; কিন্তু সাৰেংচৰাইহে ইয়াত সাধাৰণতে দৃষ্টিগোচৰ হয়, কাৰণ ইউৰোপ মহাদেশৰ ভিতৰত ইয়াতেই সাৰেং-চৰাইৰ সংখ্যা সৰ্বাধিক । সাৰেং-চৰায়ে কিয় এই দেশ পছন্দ কৰে তাৰহে উৱাদিহ নাপালোঁ । গ্ৰীষ্ম আৰু শৰৎ কালত ইয়াৰ অৰণ্যবোৰ বিভিন্ন ধৰণৰ জেটুলি-পকাৰ নিচিনা বনৰীয়া সৰু ফল আৰু খাবৰ উপযোগী কাঠফুলাৰে ভৰি পৰে । এইবোৰ তাৰ জনসাধাৰণৰ কাৰণে গুৰুত্বপূৰ্ণ খাদ্যৰ উৎস হয়; মই দেশখনৰ পূব দিশৰপৰা পশ্চিমৰ সীমালৈকে বাছত ভ্ৰমণ কৰি গঞা ৰাইজে এইবোৰ ৰাজপথৰ কাষত বেচা লক্ষ্য কৰিছিলোঁ।

**121.** **কোন চনৰ শেষৰ ফালে লিথুৱেনিয়াই স্বাধীনতা লাভ কৰিছিল ?**

(1) ১৯১৮

(2) ১৯৪৪

(3) ১৯৯০

(4) ১৯৯১

**122.** **লেখকে বাছেৰে ভ্ৰমণ কৰা দেশখনৰ গঞা ৰাইজে ৰাজপথৰ কাষত কি বিক্ৰী কৰা লক্ষ্য কৰিছিল ?**

(1) সাৰেং চৰাই

(2) এবিধ বনৰীয়া ফল আৰু কাঠফুলা

(3) বনৰীয়া গাহৰিৰ মাংস

(4) এ'লক নামৰ পহুৰ মাংস

**123.** **লিথুৱেনিয়াৰ সুদৃশ্য সমতলভূমিত -**

(1) কোনো হ্ৰদ নাই

(2) প্ৰায় চাৰি হাজাৰ হ্ৰদ আছে

(3) প্ৰায় চাৰিশ হ্ৰদ আছে

(4) চাৰিটা বৃহৎ হ্ৰদ আছে

**124.** **'নৈসৰ্গিক' শব্দটোৰ প্ৰত্যয় ভাঙি দেখুওৱা ।**

(1) নিসৰ্গ + ইক্

(2) নৈসৰ্গ + ইক্

(3) নৈ + সৰ্গিক

(4) ন + সৰ্গ + ইক্

**125.** **কেতিয়াৰ পৰা কেতিয়ালৈ লিথুৱেনিয়াৰ স্বৰ্ণযুগ চলিছিল ?**

(1) চতুৰ্দশ শতিকাৰ পৰা পঞ্চদশ শতিকালৈ

(2) চতুৰ্দশ শতিকাৰ পৰা ষোড়শ শতিকালৈ

(3) পঞ্চদশ শতিকাৰ পৰা ষোড়শ শতিকালৈ

(4) ষোড়শ শতিকাৰ পৰা অষ্টাদশ শতিকালৈ

**126.** **দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত লিথুৱেনীয়াৰ আঢ়ৈ লাখ নাগৰিকক হয় হত্যা কৰা হৈছিল, নাইবা -**

(1) বন্দী কৰি ৰখা হৈছিল

(2) ছাইবেৰিয়ালৈ নিৰ্বাসিত কৰা হৈছিল

(3) যুদ্ধলৈ পুনৰ যাবলৈ বাধ্য কৰা হৈছিল

(4) পোলেণ্ডলৈ নিৰ্বাসন দিয়া হৈছিল

**127.** **বিংশ শতিকাৰ শেষৰ দশকটো আৰম্ভ হোৱালৈকে লিখুৱেনীয়াত কাৰ শাসন চলিছিল ?**

(1) বৃটিছ সকলৰ

(2) চোভিয়েট ইউনিয়নৰ

(3) আমেৰিকা যুক্তৰাষ্ট্ৰৰ

(4) পোলেণ্ডৰ

**128.** **লিথুৱেনিয়াত প্ৰচলিত মুদ্ৰাক কি বুলি কোৱা হয় ?**

(1) ডলাৰ

(2) ডিনাৰ

(3) ইউৰ'

(4) পেছ'

**নিৰ্দেশ :তলৰ গদ্যাংশ মনোযোগেৰে পঢ়ি প্ৰশ্ন নং 129 ৰ পৰা 135 লৈ আটাইতকৈ উপযুক্ত বিকল্প উত্তৰটো বাচি উলিওৱাঁ।**

জয়জয়তে তই আমাৰ শুভাশীষ গ্ৰহণ কৰিবি। আশা ৰাখিছোঁ ভগৱানৰ কৃপাত তই কুশলে আছ। তেৰাৰ দয়াত আমি একপ্ৰকাৰ ভালে আছোঁ। মা-দেউতাৰহঁতো ভালে আছে বুলি খবৰ পাইছোঁ। বহুত দূৰত আছ বুলিয়ে সিহঁতো তোৰ চিন্তাতে আকুল হৈ থাকে। বনত বাঘ নাথাকিলেও মনত বাঘ থাকে অ' বেপাই। সেয়েহে তোক কৈ থাকোঁ, বহু ব্যাস্ততাৰ মাজত থাকিলেও অকণ আজৰি উলিয়াই তোৰ মঙ্গল বতৰা দি থাকিবি। সেই বুলি আকৌ আমাৰ কথাকে ভাবি তোৰ বহুমূলীয়া সময়কণ নষ্ট হ'বলৈ নিদিবি। পঢ়া-শুনা মন পুতি কৰিবি। কথাতে আছে, বোলে - "পঢ়ে, পঢ়ুৱায় ৰোৱে পাণ এই তিনি নিচিন্তে আন।"

তোৰ চিঠিখন আগৰটো গুৰুবাৰেই পালোঁ। দেউতাৰ আহিছিল - সিয়েই পঢ়ি শুনালে। মোৰ বিতচকুযোৰৰ আয়না এখন সুলকি গৈছিল নহয়, কালিহে সেইযোৰ ভাল কৰাই আনিলোঁ। সেইবাবেই তোলৈ চিঠি লিখাত দিনচেৰেক পলম হ'ল। তই লিখা চিঠিৰ কথাবোৰ শুনি এনেহেন লাগিছিল যেন তই মোৰ কাষতে বহি কথাবোৰ কৈ আছ। তোৰ সাত সাগৰ তেৰ নদীৰ সিপাৰৰ পৰীৰ দেশ আমেৰিকাৰ বিষয়ে লিখা কথাবোৰ পঢ়ি বা শুনি মনত থৌকি বাথৌ লাগে, ছবিৰ দৰে চকুৰ আগত ভাহি উঠে। আচৰিতো হওঁ ভাবি যে জকাইচুকীয়া গাওঁ এখনৰ কণমান ল'ৰাটিয়ে ইমান কথা জানিলে কেনেকৈ। আমাৰ বাপজনমত নোহোৱা-নোপোজা কথা এইবোৰ - কম্পিউটাৰ নে কি। তাতে আকৌ কিবা বোলেনে ইন্টাৰনেট, ই-মেইল, উঃ আৰু যে কত কিতই যে লিখিছ - কম্পিউটাৰৰ সহায়ত মানুহ নোহোৱাকৈয়ে যুদ্ধ বিমান পঠিয়াই শ শ মাইল দূৰৰ শত্ৰু সৈন্যৰ ওপৰত বোমা পেলাৰ পাৰে - কথাটো সঁচানে অ' মইনা ? ইফালে আকৌ লিখিছ ইয়াৰ সহায়তে চিকিৎসা বিজ্ঞানৰো ভালেখিনি উন্নতি হৈছে।

সিদিনা তোৰ বন্ধু শৈলেন আহিছিল মোক দেখা কৰিবলৈ। সিও পণ্ডিচেৰীত ডাক্তৰী পঢ়ি আছে নহয়। সি ক'লে, কম্পিউটাৰে হেনো মানুহৰ জীৱনৰ বহু কথা সুচল কৰি তুলিছে। পিছে সি ইয়াকো ক'লে, - একেৰাহে বেছি সময় কম্পিউটাৰৰ ওচৰত বহি থাকিলে হেনো চকু বেয়া হয়। চাবি অ' বোপাই, শৰীৰৰ ওপৰত অত্যাচাৰ নকৰিবি। 'দেহা চাইহে বেহা'।

**129.** চিঠিখন কেতিয়া পাইছিল বুলি দফাটোত উল্লেখ কৰা হৈছে ?

(1) শুকুৰবাৰে

(2) ৰবিবাৰে

(3) বৃহস্পতিবাৰে

(4) মঙ্গলবাৰে

**130.** শৈলেনে ক'ত কি কৰি আছে ?

(1) আমেৰিকাত কম্পিউটাৰ বিজ্ঞান পঢ়ি আছে

(2) পণ্ডিচেৰীত কম্পিউটাৰ বিজ্ঞান পঢ়ি আছে

(3) আমেৰিকাত চিকিৎসা বিজ্ঞান পঢ়ি আছে

(4) পণ্ডিচেৰীত চিকিৎসা বিজ্ঞান পঢ়ি আছে

**131.** "তোলৈ চিঠি লিখাত দিনচেৰেক পলম হ'ল"

ৰেখাংকিত শব্দটোত ____ ৰ প্ৰয়োগ হৈছে।

(1) বিভক্তি

(2) প্ৰত্যয়

(3) খণ্ডবাক্য

(4) সন্ধি

**132.** 'জকাইচুকীয়া গাঁও' শব্দটোৰ অৰ্থ হৈছে -

(1) জাকৈ বা জকাইখনৰ দৰে

(2) নিজৰ ওপজা ঠাই

(3) একোণীয়া বা আও হতীয়া আৰু পিছপৰা

(4) গাঁৱখনৰ নাম

**133.** উদ্ধৃত গদ্যাংশ এখন চিঠিৰ অংশ। এই চিঠিখন লিখোঁতাই কালৈ লিখিছে ?

(1) পুতেকলৈ

(2) শৈলেনলৈ

(3) কণমানলৈ

(4) মইনালৈ

**134.** চিঠি লিখোঁতা গৰাকীয়ে চিঠিখন পোৱাৰ দিনাই কিয় পঢ়া নাছিল ?

(1) তেওঁৰ লগত চশমাযোৰ নাছিল

(2) তেওঁৰ পুতেক আহি পঢ়ি দিয়ালৈ বৈ আছিল

(3) চিঠিখন পোৱাৰ দিনা তেঁও ঘৰত নাছিল

(4) তেওঁৰ চশমাযোৰৰ আইনা এখন সুলকি পৰিছিল

135. 'পৰীৰ দেশ' বুলি কৈ কোন ঠাইৰ কথা বুজাইছে ?

(1) পণ্ডিচেৰী

(2) আমেৰিকা

(3) নিজৰ জকাইচুকীয়া গাঁওখন

(4) জন্মভূমি

136. চতুৰ্থ মানৰ ছাত্ৰ-ছাত্ৰীক শিক্ষকে এটা বিষয়ৰ ওপৰত নিজা ধৰণে লিখিবলৈ উৎসাহিত কৰিব পৰাকৈ বিষয়টো কেনে হোৱা উচিত ?

(1) সামাজিক বিষয়

(2) ৰাষ্ট্ৰীয় সংহতি

(3) ব্যক্তিগত জীৱন

(4) পৰিৱেশজনিত বিষয়

137. অনানুষ্ঠানিক ধৰণে ভাষা শিকাৰ ক্ষেত্ৰত তলত দিয়া কোনটো অৰ্ন্তভুক্ত কৰা হয় ?

(1) ভাষা পৰীক্ষাগাৰ

(2) ঘৰুৱা পৰিৱেশ

(3) ভাষা শিক্ষণ কেন্দ্ৰ

(4) বিদ্যালয়

138. ইতিমধ্যে পঢ়া গল্প এটাক পুনৰ পঢ়িবলৈ দি শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ তলত দিয়া কোনটোৰ মূল্যায়ন কৰে ?

(1) স্মৰণ শক্তি

(2) বোধশক্তি

(3) উচ্চাৰণ

(4) বানান

139. তলত দিয়া কোনটো লিখাৰ লগত জৰিত অসুবিধা ?

(1) ডাইলেক্সিয়া

(2) ডিছগ্ৰাফিয়া

(3) ডিছকেলকুলিয়া

(4) ডিছফৰিয়া

140. লিখিত পাঠ এটা কেৱল উচ্চাৰণ কৰি পঢ়াটোৰেই পঠন নহয় । পঠনে সহায় কৰে -

(1) সুদক্ষ বক্তা হোৱাত

(2) পাঠটোৰ অৰ্থ বুজাত

(3) নতুন শব্দসম্ভাৰ আৰু বাক্য গাঁঠনি শিকাত

(4) নতুন শব্দ উচ্চাৰণ কৰোঁতে হোৱা অসুবিধা দূৰ কৰাত

**141. প্ৰাথমিক পৰ্যায়ত ছাত্ৰ-ছাত্ৰীক সিহঁতৰ মাতৃভাষাত শিকাবলৈ উৎসাহিত কিয় কৰা হয় ?**

(1) ছাত্ৰ-ছাত্ৰীবোৰৰ আঞ্চলিক ভাষাক উদ্‌গনি দিবলৈ ।

(2) শ্ৰেণীকোঠাত স্বাভাৱিক পৰিবেশ সৃষ্টি কৰিবলৈ ।

(3) শিশুৱে অন্য ভাষাত বুজি নাপায় কাৰণে

(4) ছাত্ৰ-ছাত্ৰীৰ মাজত সৃষ্টিশীলতা বৃদ্ধি কৰিবলৈ

**142. প্ৰথম মানৰ ভাষাৰ পাঠ্যপুথি এখন কবিতা আৰু গল্পৰে আৰম্ভ কৰি তাৰ পাছতহে বৰ্ণমালা অন্তৰ্ভুক্ত কৰা হৈছে । এই ক্ষেত্ৰত তলৰ কোনটো পদ্ধতি ব্যৱহাৰ কৰা হৈছে ?**

(1) নিম্নৰ পৰা উৰ্দ্ধ (Bottom up) পদ্ধতি

(2) উৰ্দ্ধৰ পৰা নিম্ন পদ্ধতি

(3) সংগঠনাত্মক পদ্ধতি বা নিয়মানুবৰ্তী পদ্ধতি

(4) পাঠ্যক্ৰম আধাৰিত পদ্ধতি

**143. শুদ্ধ বাক্যটো বাচি উলিওৱা ।**

(1) প্ৰথম মানৰ ছাত্ৰ-ছাত্ৰীয়ে ইংৰাজী একেবাৰেই নাজানে

(2) শিশুৱে অভিজ্ঞতাৰ এক ভাণ্ডাৰ লৈ বিদ্যালয়লৈ আহে

(3) শিশুবোৰ বিদ্যালয়লৈ আহোঁতে সিঁহত উকা ফলিৰ দৰে হৈ থাকে

(4) শব্দৰ তালিকা মুখস্থ কৰোৱাই ছাত্ৰ-ছাত্ৰীক ভাষা শিকোৱা উচিত ।

**144. শিশুৱে নিজৰ প্ৰথম ভাষাটো _______ ।**

(1) শিকে

(2) অনুকৰণ কৰে

(3) আহৰণ কৰে

(4) জোৰকৈ শিকে

**145. তলত দিয়া কোনটো গ্ৰহণ ক্ষমতাৰ অন্তৰ্গত ?**

(1) শ্ৰৱণ আৰু কথন

(2) শ্ৰৱণ আৰু পঠন

(3) পঠন আৰু লিখন

(4) পঠন আৰু কথন

**146. 'বিশেষণ' কি বুজাবলৈ গৈ শিক্ষকে ছাত্র-ছাত্রীক সিহঁতৰ অন্ততঃ এটাকৈ গুণৰ বিষয়ে ক'বলৈ দিছে আৰু তাৰ পাছত 'বিশেষণ'ৰ সংজ্ঞা ডাঙি ধৰিছে। এই পদ্ধতিটো হৈছে -**

(1) আগমণাত্মক পদ্ধতি বা সংযোগ পদ্ধতি

(2) নিগমণাত্মক পদ্ধতি বা বিয়োগ পদ্ধতি

(3) সম্পূৰ্ণ শাৰীৰিক সঁহাৰি পদ্ধতি (TRP)

(4) নিমজ্জন পদ্ধতি

**147. কোনটো ভাষা আনুষ্ঠানিক পৰিৱেশত শিক্ষকৰ সহায় লৈ শিকা হয় ?**

(1) প্ৰথম ভাষা

(2) দ্বিতীয় ভাষা

(3) মাতৃ ভাষা

(4) ঘৰুৱা ভাষা

**148. শিক্ষকে বাস্তৱ বস্তু কিছুমান দেখুৱাই নাবালক শিকাৰুক নতুন শব্দ শিকাইছে । শিক্ষক গৰাকীয়ে এনে কৰাৰ কাৰণ হ'ল –**

(1) নতুন শব্দসম্ভাৰ কেৱল বাস্তৱ বস্তু দেখুৱাই শিকাব পাৰি।

(2) এনে কৰিলে শুদ্ধকৈ বানান শিকাব পৰা যায়

(3) এনে কৰিলে শিকাৰুৱে বাস্তৱত দেখা বস্তুটো আৰু ভাষাত কোৱা শব্দটো সম্পৰ্কিত কৰিব পাৰে।

(4) নাবালক শিকাৰুবোৰ বিমূৰ্ত শিকণ গ্ৰহণ কৰিব নোৱাৰে আৰু সেয়ে মূৰ্ত বস্তু একোটাই সিহঁতক শিকিবলৈ সহায় কৰে।

**149. ভাষা পাঠ্যক্ৰমত সাহিত্য অন্তৰ্ভুক্ত কৰা উচিত। কাৰণ,**

(1) শুদ্ধ ভাষা শিকা আৰু শিকাৰাৰ ক্ষেত্ৰত ই এক মাধ্যম

(2) ই শিকাৰুক সমালোচনাত্মক হোৱাত সহায় কৰে

(3) নিৰ্দ্ধাৰিত পাঠ্যক্ৰমৰ বোজা কম কৰাত ই সহায় কৰে।

(4) ছাত্ৰ-ছাত্ৰীক নতুন শব্দ শিকাত ই সহায় কৰে।

**150. ভাষাৰ শ্ৰেণী এটাত সাধু কথনে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। কাৰণ, এই কাৰ্যই -**

(1) আদৰ্শ বা নীতি শিকায়

(2) মনোৰঞ্জনৰ ভাল এটা উৎস ৰূপে কাম কৰে

(3) শিক্ষকজনক আৰাম কৰিবলৈ সুবিধা দিয়ে

(4) সামগ্ৰিক ভাবে ভাষাটো উপস্থাপন কৰে

## SPACE FOR ROUGH WORK

**তলৰ নির্দেশাৱলীসমূহ মনোযোগেৰে পঢ়া :**

1. ভিন ভিন প্রশ্নসমূহৰ উত্তৰ কেনেধৰণে কৰিব লাগিব তাৰ নির্দেশ পৰীক্ষা-পুস্তিকাত দিয়া আছে । প্রশ্নসমূহৰ উত্তৰ কৰাৰ আগতে এই পুস্তিকা মনোযোগেৰে পঢ়িবা ।
2. প্রত্যেক প্রশ্নৰে চাৰিটা বিকল্প দিয়া হৈছে । শুদ্ধ উত্তৰটো OMR উত্তৰ পত্ৰৰ দ্বিতীয় পিঠিত নীলা/ক'লা বল পেনৰ ঘুৰণীয়াকৈ বোলাই দিয়া । এবাৰ চিহ্নিত কৰা উত্তৰটো পুনৰবাৰ পৰিবর্তন কৰিব নোৱাৰা ।
3. উত্তৰ-পত্ৰখন যাতে ভাঁজ কৰা নহয় সেইটো পৰীক্ষার্থীয়ে নিশ্চিত কৰিব লাগিব । পৰীক্ষার্থীয়ে নিজৰ ৰোল নম্বৰ উত্তৰ-পত্ৰৰ নির্ধাৰিত স্থানৰ বাহিৰে অন্য ঠাইত নিলিখে যেন ।
4. প্রশ্নপত্ৰ আৰু উত্তৰ পত্ৰ মনোযোগেৰে ব্যৱহাৰ কৰিবা । কাৰণ প্রশ্ন পত্ৰ আৰু উত্তৰ পত্ৰৰ কেৱল ক্রমিক সংখ্যাৰ খেলিমেলিৰ বাহিৰে বিকল্প প্রশ্ন পত্ৰ আৰু উত্তৰ পত্ৰ দিয়া নহ'ব ।
5. পৰীক্ষা পত্ৰ/উত্তৰ পত্ৰত থকা ক্রমিক সংখ্যা উপস্থিতি পত্ৰত শুদ্ধভাৱে লিখিবা ।
6. OMR উত্তৰ পত্ৰত সাংকেতিক লেখনত থকা তথ্যবোৰ যন্ত্ৰৰ দ্বাৰা পঢ়া হ'ব । সেয়েহে কোনো তথ্য অসম্পূর্ণকৈ এৰা অনুচিত আৰু তথ্যসমূহ পৰিচয় পত্ৰত দিয়া তথ্যৰ সৈতে ভিন্ন হ'ব নালাগিব ।
7. পৰীক্ষার্থীয়ে পৰীক্ষাগৃহত প্রৱেশ পত্ৰৰ বাহিৰ অন্য পাঠ সামগ্রী, কাগজ, পেজাৰ, মোবাইল ফোন আদি ইলেক্ট্রনিক সামগ্রী ব্যৱহাৰ কৰিব নোৱাৰে ।
8. ম'বাইল ফ'ন, যিকোনো বেতাঁৰ সংযোগ সঁজুলি (আনকি চুইট্শ্বড্ অফ হৈ থাকিলেও) আৰু অন্যান্য বাৰণ কৰা বা নিষিদ্ধ সামগ্রী পৰীক্ষা গৃহলৈ লৈ অনাৰ অনুমতি নাই । এই নির্দেশ অমান্য কৰিলে পৰীক্ষাগৃহত অসৎ উপায় অৱলম্বন কৰা বুলি গণ্য কৰা হ'ব আৰু তেওঁলোকৰ বিৰুদ্ধে পৰীক্ষাৰ বাতিলকৰণকে ধৰি কার্যপন্থা গ্রহণ কৰা হ'ব ।
9. প্রত্যেক পৰীক্ষার্থীয়ে নিৰীক্ষকক প্রৱেশ পত্ৰ দেখুৱাব ।
10. নিৰীক্ষকৰ বিনা অনুমতিত পৰীক্ষার্থীয়ে বাহিৰলৈ যাব নোৱাৰিব ।
11. পৰীক্ষার্থীয়ে কার্যৰত নিৰীক্ষকক উত্তৰ বহী নিদিয়াকৈ তথা উপস্থিতি বহীত দ্বিতীয়বাৰ হস্তাক্ষৰ নকৰাকৈ পৰীক্ষা গৃহ ত্যাগ কৰিব নোৱাৰিব । যদি পৰীক্ষার্থীয়ে দ্বিতীয়বাৰ উপস্থিতি বহীত হস্তাক্ষৰ নকৰে তেনেহলে উত্তৰ পত্ৰ নিদিয়া বুলি ধৰি লোৱা হ'ব আৰু ইয়াক অনুচিত কার্য বুলি বিবেচনা কৰা হ'ব ।
12. ইলেক্ট্রনিক/হস্তচালিত কেলকুলেটৰৰ প্রয়োগ কৰিব নোৱাৰিব ।
13. পৰীক্ষা গৃহত পৰীক্ষার্থী বোর্ডৰ নিয়ম অনুসাৰে পৰিচালিত হ'ব লাগিব । সকলো অনুচিত কার্যৰবাবে বোর্ডৰ সিদ্ধান্তই চূড়ান্ত হ'ব ।
14. কোনো কাৰণতে পৰীক্ষার্থীয়ে পৰীক্ষা পত্ৰ আৰু উত্তৰ পত্ৰ কোনো অংশকেই পৃথক কৰিব নোৱাৰিব ।
15. **পৰীক্ষাৰ অন্তত পৰীক্ষার্থীয়ে পৰীক্ষা গৃহ ত্যাগ কৰাৰ পুর্বে উত্তৰ পত্ৰ নিৰীক্ষকৰ হাতত জমা দিব লাগিব । পৰীক্ষার্থীয়ে পৰীক্ষা পত্ৰ লগত নিব পাৰে ।**

**निम्नलिखित निर्देशों को ध्यान से पढ़ें :**

1. जिस प्रकार से विभिन्न प्रश्नों के उत्तर दिए जाने हैं उसका वर्णन परीक्षा पुस्तिका में किया गया है, जिसे आप प्रश्नों का उत्तर देने से पहले ध्यान से पढ़ लें ।
2. प्रत्येक प्रश्न के लिए दिए गए चार विकल्पों में से सही उत्तर के लिए OMR उत्तर पत्र के **पृष्ठ-2** पर केवल एक वृत्त को ही पूरी तरह **काले/नीले बॉल पॉइन्ट पेन** से भरें । एक बार उत्तर अंकित करने के बाद उसे बदला नहीं जा सकता है ।
3. परीक्षार्थी सुनिश्चित करें कि इस उत्तर पत्र को मोड़ा न जाए एवं उस पर कोई अन्य निशान न लगाएँ । परीक्षार्थी अपना अनुक्रमांक उत्तर-पत्र में निर्धारित स्थान के अतिरिक्त अन्यत्र न लिखें ।
4. परीक्षा पुस्तिका एवं उत्तर पत्र का ध्यानपूर्वक प्रयोग करें, क्योंकि किसी भी परिस्थिति में (केवल परीक्षा पुस्तिका एवं उत्तर पत्र के संकेत या संख्या में भिन्नता की स्थिति को छोड़कर) दूसरी परीक्षा पुस्तिका उपलब्ध नहीं करायी जाएगी ।
5. परीक्षा पुस्तिका / उत्तर पत्र में दिए गए परीक्षा पुस्तिका संकेत व संख्या को परीक्षार्थी सही तरीके से हाज़िरी-पत्र में लिखें ।
6. OMR उत्तर पत्र में कोडित जानकारी को एक मशीन पढ़ेगी । इसलिए कोई भी सूचना अधूरी न छोड़ें और यह प्रवेश-पत्र में दी गई सूचना से भिन्न नहीं होनी चाहिए ।
7. परीक्षार्थी द्वारा परीक्षा हॉल/कक्ष में प्रवेश-पत्र के सिवाय किसी प्रकार की पाठ्य-सामग्री, मुद्रित या हस्तलिखित, कागज़ की पर्चियाँ, पेजर, मोबाइल फोन, इलेक्ट्रॉनिक उपकरण या किसी अन्य प्रकार की सामग्री को ले जाने या उपयोग करने की अनुमति नहीं है ।
8. मोबाइल फोन, बेतार संचार युक्तियाँ (स्वीच ऑफ अवस्था में भी) और अन्य प्रतिबंधित वस्तुएँ परीक्षा हॉल/कक्ष में नहीं लाई जानी चाहिए । इस सूचना का पालन न होने पर इसे परीक्षा में अनुचित साधनों का प्रयोग माना जाएगा और उनके विरुद्ध कार्यवाही की जाएगी, परीक्षा रद्द करने सहित ।
9. पूछे जाने पर प्रत्येक परीक्षार्थी, निरीक्षक को अपना प्रवेश-पत्र दिखाएँ ।
10. केन्द्र अधीक्षक या निरीक्षक की विशेष अनुमति के बिना कोई परीक्षार्थी अपना स्थान न छोड़ें ।
11. कार्यरत निरीक्षक को अपना उत्तर पत्र दिए बिना एवं हाज़िरी-पत्र पर दुबारा हस्ताक्षर किए बिना परीक्षार्थी परीक्षा हॉल/कक्ष नहीं छोड़ेंगे । यदि किसी परीक्षार्थी ने दूसरी बार हाज़िरी-पत्र पर हस्ताक्षर नहीं किए, तो यह माना जाएगा कि उसने उत्तर पत्र नहीं लौटाया है और यह अनुचित साधन का मामला माना जाएगा । **परीक्षार्थी अपने बाएँ हाथ के अंगूठे का निशान हाज़िरी-पत्र में दिए गए स्थान पर अवश्य लगाएँ ।**
12. इलेक्ट्रॉनिक / हस्तचालित परिकलक का उपयोग वर्जित है ।
13. परीक्षा हॉल/कक्ष में आचरण के लिए परीक्षार्थी बोर्ड के सभी नियमों एवं विनियमों द्वारा नियमित हैं । अनुचित साधनों के सभी मामलों का फैसला बोर्ड के नियमों एवं विनियमों के अनुसार होगा ।
14. किसी हालत में परीक्षा पुस्तिका और उत्तर पत्र का कोई भाग अलग न करें ।
15. **परीक्षा सम्पन्न होने पर, परीक्षार्थी हॉल / कक्ष छोड़ने से पूर्व उत्तर पत्र कक्ष-निरीक्षक को अवश्य सौंप दें । परीक्षार्थी अपने साथ इस परीक्षा पुस्तिका को ले जा सकते हैं ।**

**READ THE FOLLOWING INSTRUCTIONS CAREFULLY:**

1. The manner in which the different questions are to be answered has been explained in the Test Booklet which you should read carefully before actually answering the questions.
2. Out of the four alternatives for each question, only one circle for the correct answer is to be darkened completely with **Black/Blue Ball Point Pen** on **Side-2** of the OMR Answer Sheet. The answer once marked is not liable to be changed.
3. The candidates should ensure that the Answer Sheet is not folded. Do not make any stray marks on the Answer Sheet. Do not write your Roll No. anywhere else except in the specified space in the Answer Sheet.
4. Handle the Test Booklet and Answer Sheet with care, as under no circumstances (except for discrepancy in Test Booklet Code or Number and Answer Sheet Code or Number), another set will be provided.
5. The candidates will write the correct Test Booklet Code and Number as given in the Test Booklet / Answer Sheet in the Attendance Sheet.
6. A machine will read the coded information in the OMR Answer Sheet. Hence, no information should be left incomplete and it should not be different from the information given in the Admit Card.
7. Candidates are not allowed to carry any textual material, printed or written, bits of papers, pager, mobile phone, electronic device or any other material except the Admit Card inside the examination hall/ room.
8. Mobile phones, wireless communication devices (even in switched off mode) and the other banned items should not be brought in the examination halls/ rooms. Failing to comply with this instruction, it will be considered as using unfair means in the examination and action will be taken against them including cancellation of examination.
9. Each candidate must show on demand his / her Admit Card to the Invigilator.
10. No candidate, without special permission of the Centre Superintendent or Invigilator, should leave his / her seat.
11. The candidates should not leave the Examination Hall/ Room without handing over their Answer Sheet to the Invigilator on duty and sign the Attendance Sheet twice. Cases where a candidate has not signed the Attendance Sheet second time will be deemed not to have handed over the Answer Sheet and dealt with as an unfair means case. **The candidates are also required to put their left hand THUMB impression in the space provided in the Attendance Sheet.**
12. Use of Electronic / Manual Calculator is prohibited.
13. The candidates are governed by all Rules and Regulations of the Board with regard to their conduct in the Examination Hall/Room. All cases of unfair means will be dealt with as per Rules and Regulations of the Board.
14. No part of the Test Booklet and Answer Sheet shall be detached under any circumstances.
15. **On completion of the test, the candidate must hand over the Answer Sheet to the Invigilator in the Hall / Room.** ***The candidates are allowed to take away this Test Booklet with them.***